# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-11-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও জিলাৰ মিকিৰভেটাত এখন ৫০ খন বিচনাযুক্ত আয়ুষ চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰাৰ লগতে মহিলা উদ্যমিতা অভিযানৰ অধীনত মৰিগাঁও সমষ্টিৰ হিতাধিকাৰীসকলক চেক বিতৰণৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত ৩৬ হাজাৰ ৩৬৭ গৰাকী হিতাধিকাৰীলৈ ১০ হাজাৰ টকাকৈ উদ্যমিতাপুঁজিৰ প্ৰথম কিস্তিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে। এই হিতাধিকাৰীসকলৰ ৩২ হাজাৰ ৯৫১ গৰাকী গ্ৰাম্যাঞ্চলৰ আৰু তিনি হাজাৰ ৪২৬ গৰাকী নগৰাঞ্চলৰ। মুখ্যমন্ত্ৰীয়ে আজি মৰিগাঁৱত প্ৰায় ১৫ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া আৰৰ্তভৱনৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে, চিকিৎসা বিজ্ঞাপন পৰম্পৰাগত ব্যৱস্থাৰ সম্প্ৰসাৰণৰ লগতে ৰাইজক বিকল্প স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদানৰ বাবে আয়ুষ চিকিৎসালয়খন ১৫ কোটি টকা ব্যয় সাপেক্ষে ১৫ বিঘা ভূমিত নিৰ্মাণ কৰা হ'ব। ৰাজ্য চৰকাৰে অসমৰ আত্মসহায়ক গোটসমূহৰ লগত জড়িত ৩০ লাখ মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়াৰ সংকল্প লোৱাৰ কথা উল্লেখ কৰে।

**(বাইট)**

তেওঁ কয়, যে উদ্যমিতা পুঁজি হিচাপে লাভ কৰা ১০ হাজাৰ টকাৰ কিস্তিৰ প্ৰথম ধন মহিলাসকলে নিজৰ আত্মসহায়ক গোটত জমা কৰিলে এক লাখ টকাৰ পুঁজি গঠন হ'ব। এই পুজিৰে তেওঁলোকে সমূহীয়াভাৱে কোনো ব্যৱসায় আৰম্ভ কৰিব পাৰিব। ৰাজ্য চৰকাৰে মহিলাসকলৰ জীৱনলৈ পৰিৱৰ্তন অনাৰ লক্ষ্যৰে বহু বিবাহ ৰোধ কৰিবলৈ বিধানসভাত কঠোৰ আইন প্ৰণয়নৰ দিশত অগ্ৰসৰ হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অহা ২৫ নৱেম্বৰৰ পৰা হ'বলগীয়া বিধানসভাৰ অধিৱেশনত এই সন্দৰ্ভত বিধেয়ক উত্থাপন কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

তদুপৰি বাল্য বিবাহৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ পদক্ষেপৰ ফলত বাল্য বিবাহ প্ৰায় বন্ধ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মৰিগাঁও সমষ্টিত এতিয়াও অৰুণোদয় সুবিধা লাভ নকৰা যোগ্য পৰিয়ালসমূহক সামৰি লোৱাৰ বাবে অতিৰিক্ত চাৰি হাজাৰটা পৰিয়াললৈ অৰুণোদয়ৰ সুবিধা আগবঢ়োৱা হ'ব বুলি তেওঁ এই সভাতে ঘোষণা কৰে।

০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু ঘটনাৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে ছিংগাপুৰ আৰক্ষীৰ পৰা তিনিটা গুৰুত্বপূৰ্ণ তথ্য লাভ কৰিছে। এছ আই টিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তাই আজি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ অধীনত বিশেষ তদন্তকাৰী গোটে ছিংগাপুৰ আৰক্ষীৰ পৰা কিছু তথ্য বিচাৰিছিল। ইয়াৰ ভিত্তিতে ছিংগাপুৰ আৰক্ষীয়ে বিশেষ তদন্তকাৰী গোটক এই তথ্য যোগান ধৰিছে।

ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ১০ ডিচেম্বৰৰ ভিতৰত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ অভিযোগনামা এছ আই টিয়ে দাখিল কৰিব বুলি আজি মৰিগাঁৱত প্ৰকাশ কৰিছে। ইতিমধ্যে এছ আই টিয়ে তদন্তত বহু বিস্ফোৰক তথ্য লাভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে তদন্তৰ প্ৰতিবেদন প্ৰকাশ পোৱাৰ পাছত জুবিন গাৰ্গৰ সৈতে বহু বছৰ ধৰি হৈ থকা দুখ আৰু বেদনাভৰা কাহিনী ৰাইজে জানিব পাৰিব। শিল্পীগৰাকীক

ন্যায় প্রদানৰ বাবে মুখ্যমন্ত্রীগৰাকীৰ লগতে এছ আই টিৰ সদস্য আৰু আৰক্ষীয়ে দিনে-নিশাই কাম কৰি থকা বুলিও তেওঁ কয়। ০০০০

০০০০

ডিমা হাচাও জিলাৰ হাফলঙৰ সমীপৰ চংপিজাঙত আজি ৩৭ সংখ্যক কুকি চাবাং কুট উৎসৱ পৰম্পৰাগত ৰীতি নীতিৰে উৎসাহ উদ্দীপনাৰে পালন কৰা হয়। ডিমা হাচাও জিলাত বসবাস কৰা কুকি সম্প্রদায়ে প্রতিবছৰে এক নৱেম্বৰত এই উৎসৱ পালন কৰে। ৰাজ্যৰ মন্ত্রী তথা হাফলঙৰ বিধায়ক নন্দিতা গাৰ্লোচা আজি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০

আহোমসকলক জনজাতিৰ মৰ্যাদা প্রদানৰ দাবীত আজি ডিব্রুগড় নগৰৰ মাজমজিয়াত টাই আহোম যুৱ পৰিষদৰ উদ্যোগত এটা জোৰ সমদল উলিওৱা হয়। ডিব্রুগড় চৌকিদিঙি খেলপথাৰৰ পৰা থানা চাৰিআলিলৈকে উলিওৱা এই প্রতিবাদী সমদলযোগে আহোম জনগোষ্ঠীক অচিৰেই জনজাতিৰ মৰ্যাদা প্রদানৰ বাবে দাবী উত্থাপন কৰা হয়।

০০০০

বীৰ লাচিত সেনা নামৰ সংগঠনটোৰ কামৰূপ মহানগৰ জিলা মুখ্য সচিব বিকাশ অসমক আজি দিছপুৰ আৰক্ষীয়ে গ্রেপ্তাৰ কৰে। ধন দাবী, অপহৰণকে ধৰি কেইবাটাও গোচৰত অভিযুক্ত হৈ কেইবাদিনো ধৰি পলাই থকা বিকাশ অসমে আজি আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰাৰ পাছত আৰক্ষীয়ে তেওঁক গ্রেপ্তাৰ কৰে। উল্লেখযোগ্য যে আৰক্ষীয়ে ইতিমধ্যে ব্যৱসায়ীক ধন দাবী আৰু অপহৰণৰ গোচৰত বীৰ লাচিত সেনাৰ ১১ জন সদস্যক গ্রেপ্তাৰ কৰিছে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্রান্তত শ্রীকৃষ্ণৰ ৰাস মহোৎসৱ পালন কৰাৰ উদ্দেশ্যে আখৰা পূৰ্ণ গতিত চলি আছে। নামঘৰ, মন্দিৰ আদিত সন্ধিয়া স্থানীয় বয়োজ্যেষ্ঠ লোক, যুৱক-যুৱতীসকলে ৰাসৰ আখৰা চলাই আছে।

অসম মন্ত্রীসভাই ইতিমধ্যে ৰাজ্যৰ ২ হাজাৰ ১৩৫ খন ৰাস সমিতিক এককালীন আৰ্থিক সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত গ্রহণ কৰিছে। সেই অনুসৰি মাজুলীৰ ৬৭ খন ৰাস সমিতিক ৫০ হাজাৰ টকাকৈ আৰু ৰাজ্যৰ আন আন প্রান্তৰ ২ হাজাৰ ৬৮ খন ৰাস সমিতিক ২৫ হাজাৰ টকাকৈ অনুদান আগবঢ়োৱা হ'ব। চৰকাৰে ৰাস সমিতিসমূহক আৰ্থিক অনুদান আগবঢ়োৱাৰ সিদ্ধান্ত গ্রহণ কৰাত ৰাস সমিতিসমূহে সন্তোষ প্রকাশ কৰিছে।

০০০০০

ৰাজ্য চৰকাৰে ঘোষণা কৰা গ্রন্থ বৰ্ষৰ সৈতে সংগতি ৰাখি আজিৰে পৰা অসম প্রকাশন পৰিষদ আৰু সদৌ অসম পুথি প্রকাশক আৰু বিক্রেতা সংস্থাৰ উদ্যোগত লখিমপুৰত অসম গ্রন্থমেলা অনুষ্ঠিত হৈছে। লখিমপুৰ কমাৰ্চ কলেজৰ ক্রীড়া চৌহদত ভাষা সাহিত্য সংস্কৃতিৰ এলানি আকৰ্ষণীয় কাৰ্যসূচীৰে ১০ দিনীয়া গ্রন্থমেলাখন আজি উদ্বোধন কৰা হয়। আজি বিয়লি জুবিন গাৰ্গ সোঁৱৰণী অস্থায়ী প্রেক্ষাগৃহত শিক্ষা মন্ত্রী তথা অসম প্রকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৰে গ্রন্থমেলাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ০০০০

০০০০

**ঃঃ সমাপ্ত ঃঃ**